# Prime Minister’s meeting with Prime Minister of Finland

May 04, 2022

## ফিনলেণ্ডৰ প্ৰধানমন্ত্ৰীৰ সৈতে প্ৰধানমন্ত্ৰীৰ বৈঠক

প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদীয়ে দ্বিতীয় ভাৰত-নৰ্ডিক সন্মিলন সমান্তৰালভাৱে ফিনলেণ্ডৰ প্ৰধানমন্ত্ৰী শ্ৰীমতী ছান্না মাৰিনৰ সৈতে এক বৈঠকত মিলিত হয়। দুয়োগৰাকী প্ৰধানমন্ত্ৰীৰ এয়াই প্ৰথম মুখামুখী সাক্ষাৎ।

দুয়োগৰাকী প্ৰধানমন্ত্ৰীয়ে ২০২১ বৰ্ষৰ ১৬ মাৰ্চত দ্বিপাক্ষিক ভাৰ্চুৱেল সন্মিলনত গ্ৰহণ কৰা সিদ্ধান্তসমূহ কাৰ্যকৰীকৰণৰ অগ্ৰগতিক লৈ সন্তোষ প্ৰকাশ কৰে।

দুয়োগৰাকী প্ৰধানমন্ত্ৰীয়ে দ্বিপাক্ষিক অংশীদাৰিত্বত বিজ্ঞান আৰু শিক্ষা ক্ষেত্ৰত ডিজিটাইজেচন আৰু সহযোগিতাৰ দৰে বিষয়সমূহক গুৰুত্বপূৰ্ণ স্তম্ভ বুলি উল্লেখ কৰে। বৈঠকত দুয়োগৰাকী প্ৰধানমন্ত্ৰীয়ে নতুন আৰু উদ্ভাৱনী প্ৰযুক্তি যেনে-কৃত্ৰিম বুদ্ধিমত্তা, কোৱাণ্টাম কম্পিউটিং, ভৱিষ্যৎ ম’বাইল প্ৰযুক্তি, পৰিৱেশ অনুকূল প্ৰযুক্তি আৰু স্মাৰ্ট গ্ৰিডৰ দৰে বিষয়সমূহত সহযোগিতা আৰু অধিক সম্প্ৰসাৰিত কৰাৰ সা-সুবিধাক সন্দৰ্ভত আলোচনা কৰে।

প্ৰধানমন্ত্ৰী মোদীয়ে ফিনলেণ্ডৰ সংস্থাসমূহক ভাৰতীয় সংস্থাসমূহৰ সৈতে অংশীদাৰিত্ব গঢ়ি তুলিবলৈ ভাৰতৰ বজাৰত, বিশেষকৈ টেলিযোগাযোগ আন্তঃগাঁথনি আৰু ডিজিটেল ক্ষেত্ৰত যি বৃহৎ সুযোগ আছে, সেয়া গ্ৰহণ কৰিবলৈ আমন্ত্ৰণ জনায়।

দুয়োগৰাকী প্ৰধানমন্ত্ৰীৰ মাজত আঞ্চলিক আৰু আন্তঃৰাষ্ট্ৰীয় ঘটনাৱলীৰ লগতে আন্তঃৰাষ্ট্ৰীয় সংগঠনসমূহৰ সহযোগিতা আৰু অধিক নিবিড় কৰি তোলাৰ সন্দৰ্ভত আলোচনা হয়।

**কোপেনহেগেন**

**মে 04, 2022**

DISCLAIMER: This is an approximate translation. The original is available in English on MEA’s website and may be referred to as the official press release.